بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩০ চেপ্তেম্বৰ ২০২২ চনত মছজিদ ফাতাহে আজিম (জিয়ন) আমেৰিকাত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**সকলো বিজয়ৰ নিদৰ্শনে আমাৰ মাজত এক নৱ জাগৰণৰ সূচনা কৰা আৱশ্যক। এয়া শপত লওঁক যে আজিৰ দিনটোৱে আমাৰ মাজত আৰু আমাৰ লৰা-ছোৱালী আৰু আমাৰ ভৱিষ্যত প্ৰজন্মলৈ এটা আধ্যাত্মিক জাগৰণ সূচীত কৰাৰ দিন হওঁক**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আমি ইয়াতে মছজিদ জিয়নৰ শুভাৰম্ভ কৰিবলৈ জমা হৈছো। আল্লাহ তা'লা জমাত আহমদীয়া আমেৰিকাত এই মছজিদ নিৰ্মাণৰ তৌফিক দান কৰিছে। এই মছজিদে এই চহৰত জমাতে আহমদীয়াৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

এই চহৰৰ ঐতিহাসিক গুৰুত্ব হ'ল এজন নামধাৰী দাবীদাৰ আৰু তাৰ হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে অসংগত বাৰ্ত্তালাপ কৰা আৰু তাৰ নিচ্ছিন্ন হৈ যোৱা, আৰু এই চহৰত জমাতে আহমদীয়াৰ প্ৰতিষ্ঠা লাভ কৰাৰ সকলো আহমদীক আল্লাহ তা'লাৰ শলাগ লওঁতা বনায় আৰু বনোৱাৰ আৱশ্যকতাও আছে। গতিকে আঁ-হজৰত (ছাঃ)ৰ আদেশ অনুযায়ী আমি এই চহৰৰ লোক সকলৰও শলাগ লওঁ কাৰণ প্ৰথমে কাউন্সিলৰ ফালৰ পৰা মছজিদ নিৰ্মাণৰ বিৰোধীতা কৰি অনুমতি নিদিয়া সত্ত্বেও এওঁলোকে আমাৰ ফালে সহাঁৰি জনাইছিল আৰু কাউন্সিলক এই মছজিদ নিৰ্মাণ কৰিবলৈ অনুমতি দিবলৈ বাধ্য কৰে। আমি সেই মহান খোদা তা'লাৰ শলাগ লোৱা উচিত কাৰণ তেওঁৰেই আমাক এই মছজিদ নিৰ্মাণ কৰাৰ তৌফিক দান কৰিছে। গতিকে এই ফালেৰে আমি আহমদী সকলৰ বাবে এয়া কেৱল আমালোকৰ আনন্দৰ দিন নহয় বৰং আল্লাহৰ প্ৰশংসা কৰাৰও দিন। যিয়ে আমাক মছজিদ নিৰ্মাণৰ সৈতে যুগৰ ইমাম আৰু আঁ-হজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসৰ সজীৱ নিদৰ্শন দেখুৱাইছে।

গতিকে এয়া প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ নিদৰ্শন নহৈ আৰু নো কি হ'ব পাৰে? আজিৰ পৰা ১২০

বছৰ মান আগত আল্লাহ তা'লাৰ পৰা খবৰ পাই হজৰত মছীহ মাওউদ (আঃ)য়ে যিজনে ইছলামৰ শত্ৰুৰ ধ্বংসৰ ভৱিষ্যদ্বাণী কৰিছিল আজি সেইজন লোকৰ চহৰতে যিখন চহৰলৈ তেওঁ ঘোষণা কৰিছিল যে কোনো মুছলমানেই এই চহৰত প্ৰৱেশ কৰিব নোৱাৰে, যেতিয়ালৈকে তেওঁ ঈছাই নহয়। আল্লাহ তা'লা সেই চহৰ খনতে জমাতে আহমদীয়াক মছজিদ প্ৰতিষ্ঠা কৰাৰ তৌফিক দান কৰিছে। এয়াই হ'ল আল্লাহ তা'লাৰ কাৰুকাৰ্য্য,এজন আৰৱপতি আৰু জাগতিক প্ৰতিপত্তিশালী লোক জনক কেনেকৈ নৰাধম বনাই ধ্বংসৰ গ্ৰাসত পেলাইছে আৰু পঞ্জাৱৰ এখন সৰু গাঁৱত জন্ম লোৱা সাধাৰণ বাসিন্দা জনে নিজৰ অৱতাৰ হোৱাৰ দাবী, যি ইছলামৰ দ্বিতীয় নিদৰ্শন হিচাপে উত্থাপন কৰিছিল, তেখেতৰ পৰা ২২০ খন দেশত প্ৰচাৰ লাভৰ সকলো উপায় আৰু সুযোগ প্ৰদান কৰিছে।

গতিকে ইমানতেই ইয়াত আমালোকৰ কাম শেষ হৈ গ'ল নে ? কিয় এয়াই যথেষ্ঠ হ'ল নে যে আমি আমেৰিকাত এখন সৰু চহৰত মছজিদ নিৰ্মাণ কৰিব পাৰিছো, আৰু জমাতৰ উন্নতি হৈ গৈছে; নহয় ! হজৰত মছীহ মাওউদ (আঃ)ৰ বাবে আল্লাহ তা'লা গোটেই বিশ্বখনক ময়দানে আমল বনাইছে, আমি সৰু ডাঙৰ চহৰ আৰু দেশ আঁ-হজৰত (ছাঃ)ৰ দাসত্বলৈ আনিব লাগিব। যদি আমি আমাৰ উপায় উপাচাৰৰ ফালে লক্ষ্য কৰো তেন্তে দেখা যায় যে এয়া বৰ ডাঙৰ কাম; কিন্তু আল্লাহ তা'লা এই সকলোবোৰ অসুবিধা থকা সত্ত্বেও আমাৰ ওপৰত এই মহান কামৰ দায়িত্ব অৰ্পন কৰিছে আৰু আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে ইয়াৰ কৃতকাৰ্য্যতাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰিছে। কিন্তু তেখেত (আঃ)য়ে কৈছে সকলো কাম যিবোৰ কৰা হৈ আছে, এয়া অতি সাধাৰণ প্ৰচেষ্টা, আচলতে ইয়াৰ সৈতে দোৱাৰ অতি প্ৰয়োজন আছে; দোৱাৰ মাজেৰে এই কাম কৰিব লাগিব। গতিকে এই গুৰুত্বপূৰ্ণ বিষয়টো আমি সদায় দৃষ্টি গোচৰ কৰিব লাগিব।

মছজিদ নিৰ্মাণ কৰা হয় এই কাৰণেই যাতে তাত লোকে ইবাদত কৰিবলৈ জমা হ'ব পাৰে, পাঁচ ওয়াক্ত আল্লাহ তা'লাৰ সমীপত হাজিৰ হ'ব পাৰে, জুমাৰ দিনা নিয়মানুবৰ্তিতা পালন কৰিব পাৰে আৰু জাগতিক আৰাম-আয়স আৰু কামৰ বাবে যাতে ইবাদতৰ কথা পাহৰি যাওঁ তেন্তে এই মছজিদ বনোৱাটো কেৱল এটা বাহ্যিক জঁকাহে থিয় কৰোৱা হ'ব, বিশ্ববাসীক আমি জনাই আহিছো যে ইয়াতে মুছলমান সকলৰ এখন মছজিদ বনোৱা হৈছে, কিন্তু আল্লাহ তা'লাৰ ওচৰত আমাৰ আমল সেই মানদণ্ডৰ নহয় যে আমি এই মছজিদৰ কল্যাণৰ পৰা বৰকত লাভ কৰো আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ সহায়কাৰী হ'ব পাৰো। তেখেত (আঃ)য়ে কৈছে ধাৰাবাহিক দোৱাৰ মাজেৰে মোৰ সাহায্যকাৰী হোৱা যাতে আমি আল্লাহ তা'লাৰ কৃপা অতি সোনকালে পূৰ্ণ হওঁতে দেখিবলৈ পাওঁ।

গতিকে আজি আমাৰ সকলোৰে কাম হ'ল দোৱা গৃহীত হ'বলৈ ইবাদত নিজৰ জীৱনৰ অংশ বনাই লোৱা, নিজৰ ল'ৰা-ছোৱালীক ইবাদত মুখী বনোৱা, আল্লাহ তা'লাৰ নিৰ্দেশিত পদ্ধতি অনুযায়ী নিজৰ নামাজ সুন্দৰ ভাৱে আদায় কৰা, একাগ্ৰচিত্তে আল্লাহ তা'লাৰ আগত নতশীৰ হোৱা আৰু তাৰ পৰা বেছি বেছি বিজয় লাভৰ তৌফিক বিচৰা। কিমানেই সৌভাগ্যশী হ'ব সেইজন আমাৰ মাজৰ পৰা

যিজনে এইবোৰ লাভ কৰিব পাৰে আৰু তেওঁ আল্লাহ তা'লাৰ কৃপাবাৰি অৱলোকন কৰিব পাৰে। যদি আমি আমাৰ ইবাদতৰ মান উৰ্ধমূখী কৰো, দ্বীনক দুনিয়াদাৰীৰ ওপৰত প্ৰাধান্য দিও তেন্তে আমি হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহ তা'লাই দিয়া প্ৰতিশ্ৰুতি নিজৰ জীৱদশাতে পূৰ্ণ হোৱাটো দেখিবলৈ পাম।

আঁ-হজৰত (ছাঃ)ৰ সৈতে আল্লাহ তা'লাৰ ইছলামৰ বিজয়ৰ প্ৰতিশ্ৰুতি থকা সত্বেও বছৰৰ সময়ত তেখেত (ছাঃ)ৰ ক্ৰন্দন, বিনয়, ভয় আৰু দোৱায় এক মহান স্থানত গৈ উপনীত হৈছিল আৰু এই বিষয়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ভয়াতুৰ প্ৰশ্নত আঁ-হজৰত (ছাঃ)য়ে কৈছিল, আল্লাহ তা'লাৰ স্বাধীন, বিজয়ৰ অন্তৰালত চৰ্ত থাকে, গতিকে মোৰ কাম হ'ল কৰুণ-মিনতিৰে আল্লাহৰ সহায় বিচৰা। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে-সেয়া ফানি ফিল্লাহৰ দোৱা আছিল, যিয়ে এটা জাগৰণৰ সৃষ্টি কৰিছিল। আজিও সেই ফানি ফিল্লাহৰ সত্য প্ৰাণ দাসৰ দোৱা আছে, যিয়ে নিজ নিজ সময়ত গৈ পূৰ্ণ হৈ জগত বাসীক আঁ-হজৰত (ছাঃ)ৰ পদ তলত লৈ আনিব। কিন্তু তেখেত (আঃ)য়ে কৈছে, তোমালোকে যিসকলে নিজকে মোৰ ফালৰ বুলি ধৰি লোৱা, তেওঁলোকে দোৱা আৰু আমলেৰে মোক সহায় কৰা।

আজি আমি এই মছজিদত বহি ইয়াৰ শুভাৰম্ভ কৰি আছো। ইয়াৰ নাম ফাতাহে আজিম মছজিদ ৰখা হৈছে আৰু এই নাম হজৰত মছীহ মাওউদ (আঃ)ৰ ইলহাম আৰু ভৱিষ্যদ্বাণী অনুযায়ী ৰখা হৈছে। তেখেত (আঃ)য়ে আল্লাহ তা'লাৰ পৰা খবৰ পাই আলেকজেণ্ডাৰ ডুইৰ ধ্বংসৰ ভৱিষ্যদ্বাণী কৰি কৈছিল, এই নিচানেই মহান বিজয় সাব্যস্ত হ'ব আৰু সেই সময় সন্নিকট! এনেদৰেই বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিছিল যে পোন্ধৰ বিছ দিনৰ ভিতৰতে আল্লাহ তা'লা তাক অপমানেৰে সৈতে ধ্বংসৰ চিকাৰ বনাই দিছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে আল্লাহৰ ফালৰ পৰা তাৰ এনে ধ্বংসৰ খবৰ পাই ইয়াক ফাতাহে আজিম বুলি নিৰ্ধাৰণ কৰিছিল। আজি তাৰেই প্ৰথম পদক্ষেপ হ'ল যে আমি এই চহৰখনত এখন মছজিদৰ শুভাৰম্ভ কৰি আছো। তেখেত (আঃ)ৰ ইলহামৰ এটা অংশ আমি প্ৰায় ১১৫ বছৰ আগতে পূৰ্ণ হোৱা দেখি আছো আৰু আজি তাৰ বাকী অংশ পূৰ্ণ হওঁতে চাই আছো।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে সেই সময়ৰ জাগতিক বাতৰি কাকত সম্পৰ্কে কয় যে বাতৰি কাকতবোৰে হজৰত মছীহ মাওউদ (আঃ)ৰ চ্যালেঞ্জক নিজৰ কাকতত ঠাই দিছিল আৰু তাত মছীহ মাওউদ (আঃ)য়ে ডুইৰ ধ্বংসৰ বিষয়ে কৈছিল। গতিকে এয়া খোদা তা'লাৰ নিদৰ্শন আছিল, যিটো জগতবাসীয়ে মানি ল'বলৈ বাধ্য হৈছে। ইয়াৰ ওপৰি ছানডে বোষ্টন হেৰল্ডৰ ছপাত ২৩ জুন ১৯০৭ চনত তেখেত (আঃ)ৰ পৰিচয়, দাবী আৰু চ্যালেঞ্জ আৰু ডুইৰ অপমৃত্যু সম্পৰ্কে উল্লেখ কৰা বৰ্ণনা সম্পৰ্কে হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)ৰ মিচন বৰ বিস্তৃত, এয়া কেৱল মাত্ৰ এখন ঠাইৰ বিজয়ৰ বৰ্ণনা, আমাৰ প্ৰকৃত আনন্দ তেতিয়াহে হ'ব যেতিয়া আমি জগতখনক আঁ-হজৰত (ছাঃ)ৰ পদতলত লৈ আনিব পাৰিম। ইয়াৰ বাবে এতিয়া আমি এই মছজিদ

নিৰ্মাণৰ লগে লগে তবলিগৰ নতুন উপায় বিচাৰিব লাগিব, মছীহ মহম্মদীৰ প্ৰমাণ জগতৰ সন্মুখত দাঙি ধৰিব লাগিব আৰু আগতকৈ অধিক ভাৱে নিজৰ আমলি আৰু ৰূহানী অৱস্থাক উন্নত বনাব লাগিব।

আচলতে মহান বিজয় আছিল আঁ-হজৰত (ছাঃ)ৰ মক্কা বিজয়, সেই বুলি মক্কা বিজয়ৰ পিছত আঁ-হজৰত (ছাঃ) আৰু খোলফায়ে ৰাশেদিন নাইবা পিছৰ মুছলমান সকলে তবলিগৰ কাম বন্ধ কৰি দিছিলনে ? কিয় ইছলামৰ পয়গাম পৃথিৱীৰ প্ৰান্তে প্ৰান্তে পৌচাই দিয়াৰ চেষ্টা কৰা নাছিলনে ? যুদ্ধেৰে দেশ জয় কৰা নাছিননে ? হয় ! যুদ্ধও হৈছিল। কিন্তু যুদ্ধবোৰ এই কাৰণে সংঘটিত হোৱা নাছিল যে দ্বীন প্ৰচাৰ হয়; বৰং সেই যুদ্ধৰ জৰিয়তে মানুহৰ মনও জয় হৈছিল, যাৰ ফলত কোৰবাণী কৰোঁতা লোক সকলে দলে দলে আহি ইছলাম গ্ৰহণ কৰিছিল। গতিকে হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে প্ৰাপ্ত বিজয়ক স্থায়ী তবলিগ হিচাপে দোৱাৰ দ্বাৰা স্থাপিত ৰখাৰ প্ৰয়োজন আছে।

আঁ-হজৰত (ছাঃ)ৰ সৈতে খোদা তা'লাৰ প্ৰতিশ্ৰুতি আছিল যে কিয়ামত লৈকে এই ধৰ্ম প্ৰতিষ্ঠিত ৰাখিব আৰু সম্পূৰ্ণ কৰিবলৈ শেষ যুগত মছীহ ও মাহদী মাওউদ (আঃ)ক প্ৰেৰণ কৰিব। সেয়ে তেখেত (আঃ)ক পঠাইছে। তেখেত (আঃ)য়ে আহি জগতক নিজৰ আগমনৰ খবৰ দিছে আৰু কোনো উপায় উপাচাৰ নোহোৱা সত্ত্বেও ইউৰোপ আমেৰিকা আৰু জগতৰ বিভিন্ন দেশত তেখেতৰ খবৰ পৌচাই গৈছে আৰু ডুইৰ জৰিয়তে আমি দেখিবলৈ পাই আছো যে তেখেত (আঃ)ৰ বাৰ্ত্তা কিমান পৰাক্ৰমেৰে পৌচাই গৈছে। হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে আল্লাহ তা'লা ইছলামৰ দ্বিতীয় নিদৰ্শনৰ বীজ বপন কৰিছিল আৰু সেয়া মহা পৰাক্ৰমেৰে জগতত ফলে-ফুলে জাতিস্কাৰ হৈ গৈ আছে।

গতিকে এই মছজিদ খনৰ মহান শুভাৰম্ভ তেতিয়া হ'ব যেতিয়া আমি সেই গূঢ়াৰ্থ বুজি পাম যে আমাৰ এই জীৱনৰ উদ্দেশ্য কি! আমাৰ আচল উদ্দেশ্য হ'ল আল্লাহ তা'লাৰ আদেশ পালন কৰি তাৰ সন্তুষ্টি অৰ্জন কৰি মছজিদক আবাদ ৰখা। কিন্তু কিয়! এই মহান বিজয়ৰ আনন্দত কেৱল স্মৃতি স্বৰূপ এখন মছজিদ বনালেই হ'বনে আৰু আনন্দিত হলেই হ'বনে। আমি হজৰত মছীহ মাওউদ (আঃ)ৰ দোৱাৰ ফল খাইছো আৰু খাই আছো। তেখেত (আঃ)য়ে নিজৰ মান্যকাৰী সকলক সেই আদৰ্শৰ ওপৰত চলিবলৈ শিকাইছে, যি আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক স্থাপনৰ আদৰ্শ আৰু বাট। গতিকে আজি আমাৰ সকলোৰে কাম হ'ল যিসকলে দাবী কৰে যে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ জমাতভুক্ত হৈছো মছীহ মহম্মদী (আঃ)ৰ কাম দেশৰ প্ৰান্তে প্ৰান্তে পোছাই দিয়া, খোদা তা'লাৰ একত্ব সকলোৰে ওপৰত প্ৰমাণিত কৰি এই সকলোবোৰ কাম তেতিয়াহে সম্পূৰ্ণ হ'ব যেতিয়া আমি আমাৰ খোদা তা'লাৰ সৈতে সম্পৰ্ক গঢ়ি তাকওৱাৰ বাটত আগুৱাই যাম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে আমাৰ জমাতৰ বাবে তাকওৱাৰ বিশেষ প্ৰয়োজন আছে বিশেষকৈ এই কাৰণেই যে তেওঁলোকে এজন বিশেষ ব্যক্তিৰ সৈতে সম্পৰ্ক বান্ধিছে, যাৰ দাবী হ'ল মামুৰিয়তৰ দাবী, যাতে তেওঁলোকে লিপ্ত হৈ থকা হিংসা বিদ্বেষ শিৰিক আদি সকলো ধৰণৰ বিপদৰ পৰা মুক্তি লাভ কৰিব পাৰে।

গতিকে নিজৰ ভিতৰত ভিতৰীয়া পৱিত্ৰতাৰ অধিক প্ৰয়োজন আছে আৰু যেতিয়া এই অন্তৰ চাফ-চিকুণ হ'ব তেতিয়াহে মানৱ হৃদয়ত তাকওৱাৰ জন্ম হ'ব। তেহে জগতে দেখিবলৈ পাব যে নিদৰ্শনৰ পিছত নিদৰ্শন জাহিৰ হ'বলৈ (প্ৰকাশ পাবলৈ) লৈছে। এয়াই হ'ল সেই স্থান য'ত বিজয়ৰ আৰু বাট মুকলি হ'ব ইনশা আল্লাহ; আৰু এই অৱস্থাতেই আমি মহান বিজয়ৰ আচল ৰূপ দেখিবলৈ পাম। গতিকে হে মছীহ মহম্মদীৰ দাস সকল! প্ৰত্যেক বিজয়েই আমাৰ মাজত জাগৰণ সৃষ্টি কৰোঁতা হোৱা উচিত। সকলোৱে এয়া প্ৰতিশ্ৰুতিবদ্ধ হওঁক যে আজিৰ দিনটো আমাৰ ল'ৰা-ছোৱালী সকলৰ মাজত,আমাৰ গোষ্ঠীৰ বাবে এক নৱ জাগৰণ সৃষ্টি কৰোঁতা দিন হওঁক; আৰু হোৱাৰ প্ৰয়োজন আছে নহলে ডুইৰ ধ্বংস নাইবা এই চহৰৰ লোকৰ সৈতে ডুইৰ নামৰ পৰিচিতিয়ে আমাক কি লাভ সাধন কৰি দিব যে আমিয়ে তাক পৰিচিত কৰাই দিছো। এওঁলোকে আগতে জনা নাছিল। লাভ তেতিয়াহে হ'ব যেতিয়া এই মহান বিজয়ৰ ভৱিষ্যদ্বাণী পূৰ্ণ হোৱাত আমাৰ মাজত এক নৱ জাগৰণৰ সৃষ্টি হ'ব আৰু আমাৰ জন্ম ভূমি আৰু জগতখনে ৰছুলুল্লাহ (ছাঃ)ৰ দাসত্বৰ এনাজৰী নিজৰ ডিঙিত পিন্ধিব। খোদা তা'লাৰ একত্বত বিশ্বাসী হ'ব। আমাক আৰু আমাৰ ভৱিষ্যত প্ৰজন্মক এই স্থান অধিকাৰ কৰাৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْیِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 30 SEP 2022

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844